জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৩/২০২১

# মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা উদ্ধাৰ কৰা শিশুসকলৰ অভিভাৱকৰ সৈতে চিৰাঙত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মত-বিনিময়

## মানৱ সৰবৰাহকাৰীৰ কৱলত পৰা পৰিয়ালসমূহৰ বাবে চৰকাৰে আৰ্থিক সৱলীকৰণৰ পেকেজ প্ৰস্তুত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জুলাই ঃ** বিশ্ব মানৱ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ বেংতলত আয়োজিত এক অনুষ্ঠানত কিছুদিন পূৰ্বে ছিকিমত মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা উদ্ধাৰ কৰা ৪০ টা শিশু আৰু ২ গৰাকী যুৱতীৰ পিতৃ-মাতৃৰ সৈতে মত-বিনিময় কৰে। উল্লেখ্য যে ভাৰত-ভূটান সীমান্তৱৰ্তী চিৰাং জিলাৰ ১০ খন গাঁৱৰ পৰা এই ৪০ টা শিশু আৰু ২ গৰাকী যুৱতীক মানৱ সৰবৰাহকাৰীয়ে ছিকিমলৈ সৰবৰাহ কৰিছিল। উল্লেখ্যযোগ্য যে অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান এল আৰ বিষ্ণৱৰ নেতৃত্বত চিৰাং আৰক্ষীৰ এটা দলে তাৎক্ষণিক পদক্ষেপ লৈ যোৱা ১৯ জুলাইত ছিকিমত অভিযান চলাই তিনিদিনীয়া ধাৰাবাহিক প্ৰচেষ্টাৰ অন্তত ছিকিম আৰক্ষী আৰু ছিকিমৰ শিশু কল্যাণ সমিতিৰ সহযোগত এই ৪০ টা শিশুৰ লগতে ২ গৰাকী যুৱতীক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল।

আজিৰ এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই মানৱ সৰবৰাহকাৰীৰ পৰা উদ্ধাৰ কৰা এই শিশুসকলৰ পিতৃ-মাতৃৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে তেওঁলোকৰ আৰ্থ-সামাজিক আৰু অন্যান্য দিশৰ বুজ লয় আৰু মানৱ সৰবৰাহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে চলাই থকা অভিযানৰ প্ৰতি তেওঁলোকৰ সহায়-সহযোগিতা কামনা কৰে। মধ্যভোগীৰ প্ৰলোভনৰ পৰা হাত সাৰি থাকিবলৈ তেওঁলোকক আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই শিশুসকলক বিদ্যালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যি কোনো প্ৰতিকূল পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰাৰ অৰ্থে তেওঁলোকলৈ সহায়ৰ হাত আগবঢ়াবলৈ চৰকাৰ সদায় তৎপৰ হৈ আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিটিচি প্ৰশাসনৰ সহযোগত ৰাজ্য চৰকাৰে মানৱ সৰবৰাহকাৰীৰ লক্ষ্য হৈ পৰা এই ১০ খন গাঁৱৰ বাসিন্দাসকলৰ সহায়ৰ অৰ্থে এক অৰ্থনৈতিক পেকেজ প্ৰদানৰ ব্যৱস্থা কৰিব। আগন্তুক ১৫ আগষ্টৰ পাছত এই সম্বন্ধীয় আঁচনিখন প্ৰৱৰ্তন কৰা হ'ব বুলিও তেওঁ কয়। এই অভিভাৱকসকলক আৰ্থিকভাৱে সকাহ দিয়াৰ উদ্দেশ্যে তেওঁলোকক 'অৰুণোদয়' আঁচনিৰ হিতাধিকাৰীৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে নিশ্চিতি প্ৰদান কৰে। তেওঁ লগতে কয় যে শিশু কল্যাণ সমিতিৰ পৰামৰ্শৰ ভিত্তিত এই শিশুসকলক বিদ্যালয়লৈ প্ৰেৰণৰ বাবে ৰাজ্য চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিব। আজিৰ এই বাৰ্তালাপৰ সময়তে মুখ্যমন্ত্ৰীয়ে মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা উদ্ধাৰ কৰা

শিশুসকলৰ অভিভাৱকসকললৈ বিটিচি প্ৰশাসনৰ তৰফৰ পৰা আগবঢ়োৱা ২০ হাজাৰ টকাৰ একোখনকৈ চেক প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম আৰক্ষীৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান এল আৰ বিষ্ণুয়, বিটিচিৰ অন্যান্য বিষয়ববীয়াসকল তথা চিৰাং জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ শ্বাহকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / নিঃকুঃদাঃ**
৩০/০৭/২০২১